ISSN 2321-4945
UGC CARE LISTED JOURNAL

# द्विभाषी राष्ट्रसेवक

वर्ष : 74 अंक : 06

सितंबर, 2024



## অসমীয়া বিভাগ


| | | | |
|---|---|---|---|
| 19. | শংকৰদেৱৰ একশৰণ হৰিনাম ধৰ্মত মূল্যবোধৰ শিক্ষা | ড° বন্দনা বৰুৱা | 96 |
| 20. | মহিম বৰাৰ গল্প 'এখন নদীৰ মৃত্যু' ঃ এটি আলোচনা | দীপক দাস | 105 |
| 21. | দেউৰী ভাষাৰ শব্দ সম্ভাৰ ঃ এটি অধ্যয়ন | পিংকুমনি দেউৰী; ড° নিভা ৰাণী ফুকন | 109 |
| 22. | মোপাছা চুটিগল্পত নাৰী জীৱনৰ প্ৰতিফলন | জোনালী মালাকাৰ; ড° বিৰিঞ্চি কুমাৰ দাস | 115 |
| 23. | স্বাধীনতা সংগ্ৰামী তিৰা শ্বহীদ হেমৰাম পাতৰ ঃ এক ক্ষেত্ৰভিত্তিক অধ্যয়ন | ড° মৌচুমী বৰদলৈ হাজৰিকা | 120 |
| 24. | আহোম সম্প্ৰদায়ৰ মাজত প্ৰচলিত পৰম্পৰাগত পানীয় 'সাজ'ৰ প্ৰস্তুত প্ৰণালীৰ অধ্যয়ন | ড° ইলোৰাধা শইকীয়া | 126 |
| 25. | শৈলীবিজ্ঞানৰ তত্ত্বৰ আধাৰত 'সোণ হৰিণৰ চেঁকুৰ' উপন্যাসৰ এটি আলোচনা | মিথুন দাস; শিৱানী দাস | 133 |
| 26. | অসমৰ খাদ্য সুৰক্ষা ব্যৱস্থা আৰু মহিলাৰ ওপৰত গুৰুত্ব | ৰূপালী তালুকদাৰ; ড° পৰাগ দত্ত | 138 |
| 27. | পাৰিপাৰ্শ্বিক (Eco-Criticism) দৃষ্টিৰে প্ৰভাত গোস্বামীৰ উপন্যাস 'শুকুলা হাতীৰ খোজ' | ৰেৱত মহন্ত | 142 |
| 28. | উজনি অসমৰ মেচ কছাৰীসকলৰ মাজত প্ৰচলিত লোকাচাৰ আৰু লোকবিশ্বাস | গায়ত্ৰী খাৰঘৰীয়া | 148 |
| 29. | সন্তোষ কুমাৰ কৰ্মকাৰৰ 'প্ৰভাতী সূৰ্যৰ দেশ' উপন্যাসত প্ৰতিফলিত উনবিংশ শতিকাৰ শৈক্ষিক দিশ আৰু সমাজ সংস্কাৰৰ চিত্ৰ | সংগীতা দেৱী; ড° প্ৰসন্ন কুমাৰ নাথ | 154 |
| 30. | জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীতত চাৰিত্ৰিৰ মনোজগতৰ চিত্ৰণ | জুমি বৰ্মন | 162 |
| 31. | নগেন শইকীয়াৰ 'আমেৰিকাত দহদিন' ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন | কস্তুৰী বৰা | 168 |
| 32. | মনুস্মৃতি ঃ প্ৰসংগ এল জি বি টি কিউ + | মিতালী কুমাৰী; ড° ৰঞ্জন কলিতা | 175 |
| 33. | বৃদ্ধ মনস্তত্ব আৰু শীলভদ্ৰৰ চুটিগল্প ঃ এটি অধ্যয়ন | চুইটি বৰা | 182 |
| 34. | মনুস্মৃতিৰ বিশেষ উদ্ধৃতিৰে ধৰ্মশাস্ত্ৰত মাতৃ-পত্নীৰ স্থান ঃ এক অধ্যয়ন | গৌৰীস্মিতা বৰুৱা; ড° বাগ্মিতা শাণ্ডিল্য | 187 |
| 35. | মাধৱদেৱৰ নাটকত শিশুকৃষ্ণ ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন | বিষ্ণুৰাম নাথ; ড° গোবিন্দ প্ৰসাদ ভূএগ | 195 |
| 36. | ধ্ৰুৱজ্যোতি বৰাৰ 'স্বৰ্গাদপি' উপন্যাসত প্ৰতিফলিত অসমৰ ঔপনিৱেশিক ইতিহাসৰ প্ৰসংগ | দীনেশ বৰা | 208 |
| 37. | প্ৰাচীনত্বৰ আলোকত ওড়িআ আৰু অসমীয়া ভাষা ঃ এক বিশ্লেষণাত্মক অধ্যয়ন | ফেণ্ঢী চুতীয়া; ড° সংগীতা শইকীয়া | 217 |


❑ ❑ ❑

ISSN 2321-4945
UGC CARE Listed Journal
RNI NO. ASSBIL/2009/31008

প্ৰবন্ধ

# উজনি অসমৰ মেচ কছাৰীসকলৰ মাজত প্ৰচলিত লোকাচাৰ আৰু লোকবিশ্বাস



গায়ত্ৰী খাৰঘৰীয়া

**সংক্ষিপ্তসাৰ ঃ**

অসমৰ প্ৰাচীন জনগোষ্ঠীসমূহৰ অন্যতম তথা মংগোলীয় জনগোষ্ঠীৰ অন্তৰ্গত বৃহৎ কছাৰী জনগোষ্ঠীৰ এটা শাখা হ'ল মেচ কছাৰীসকলৰ। তেওঁলোকৰ বসতি স্থান ভাৰতৰ লগতে নেপাল, ভুটান, বাংলাদেশ আদিত বিস্তৃত। ভাৰতৰ হিমালয়ৰ পাদদেশ, পশ্চিমবঙ্গ, মেঘালয় আৰু অসমত মেচসকলৰ অৱস্থিতি দেখা যায়। অসমৰ বিভিন্ন জিলাৰ ভিতৰত মূলতঃ তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, গোলাঘাট, কাৰ্বি আংলং, শোণিতপুৰ, নগাঁও, ধেমাজি, লখিমপুৰ, আৰু গোৱালপাৰা জিলাত মেচসকলৰ প্ৰধান বসতি দেখা যায়। সামাজিক-সাংস্কৃতিক দিশত মেচসকল চহকী বুলিব পাৰি। সংস্কৃতিৰ লগত জড়িত হৈ থাকে বিবিধ সংস্কাৰিত কৃত্য। উৎসৱ-অনুষ্ঠানৰ পৰা আৰম্ভ কৰি লোকপৰিৱেশ্য কলালৈকে সামৰি লোৱা সংস্কৃতিৰ বিভিন্ন উপাদানৰ মাজত লোকাচাৰ-লোকবিশ্বাস সম্পৃক্ত হৈ থাকে। একোখন সমাজ তথা সেই সমাজৰ সাংস্কৃতিক বাতাবৰণক স্বকীয়তা প্ৰদান কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে লোকাচাৰ আৰু লোকবিশ্বাসে। এই আলোচনাত উজনি অসমৰ অন্যতম জনগোষ্ঠী মেচ কছাৰীসকলৰ মাজত ৰক্ষিত লোকাচাৰ-লোকবিশ্বাস বিষয়ে সামগ্ৰিক অধ্যয়ন আগবঢ়োৱা হৈছে।

এই বিষয়টো আলোচনা কৰোঁতে মূলতঃ বৰ্ণনাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে। তথ্য আহৰণৰ বাবে ক্ষেত্ৰ অধ্যয়নৰ লগতে বিভিন্ন কিতাপ-পত্ৰৰ সহায় লোৱা হৈছে।

**বীজ শব্দ ঃ**

মেচ কছাৰী, লোকাচাৰ, লোকবিশ্বাস, পৰম্পৰা।

## ০.০ অৱতৰণিকা

প্ৰত্যেক জাতি-জনগোষ্ঠীৰ লোকসংস্কৃতিৰ লগত সামাজিক লোকাচাৰ আৰু সামাজিক অনুষ্ঠান জড়িত হৈ থাকে। তাৰ লগত সম্পৃক্ত হৈ থাকে জনগোষ্ঠীটোৰ মাজত প্ৰচলিত লোকবিশ্বাস, পৰম্পৰা, ধৰ্মীয় ধ্যান-ধাৰণা। লোকবিশ্বাস বুলিলে জনজীৱনত পৰম্পৰাগত ভাৱে চলি অহা বা মানি অহা ধ্যান-ধাৰণাকে বুজা যায়। লোকবিশ্বাসসমূহৰ মাজত সোমাই থাকে লোকমনৰ বিস্ময়, ভয় আৰু ৰহস্যময় মনৰ আভাস। তাৎপৰ্যপূৰ্ণ যে, প্ৰকৃতিৰ প্ৰতি থকা সহজাত ভয়ো লোকবিশ্বাস জন্মৰ অন্যতম এক কাৰণ হ'ব পাৰে। লগতে লোকবিশ্বাসৰ কিছুমান ধাৰণাই অন্ধবিশ্বাসকো কঢ়িয়াই ফুৰা যেন বোধ হয়। লোকবিশ্বাস লোকমনৰ সৃষ্টি। যাৰ পৰিপ্ৰেক্ষিতত কিছু ক্ষেত্ৰত

সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
জৱাহৰলাল নেহৰু মহাবিদ্যালয়
বকো-৭৮১১২৩
৮৮২২০৬৭৩৩০
gayatrikharghoriadu@gmail.com